হে আবু বকৰ! সেই দুজন ব্যক্তি সম্পৰ্কে আপোনাৰ কি ধাৰণা, যাৰ তৃতীয়জন হৈছে আল্লাহ।

আবু বকৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আমি গুহাত আত্মগোপন কৰি থকা অৱস্থাত যেতিয়া আমাৰ মূৰৰ ওপৰত মুশ্বৰিকসকলৰ ভৰি দেখা পালোঁ, তেতিয়া মই ক'লোঁ, হে আল্লাহৰ ৰাছুল! সিহঁতৰ মাজৰ কোনোবাই যদি নিজৰ ভৰিৰ ফালে লক্ষ্য কৰে তেতিয়া দেখোন আমাক দেখা পাব। তেতিয়া তেখেতে ক'লেঃ "হে আবু বকৰ! সেই দুজন ব্যক্তি সম্পৰ্কে আপোনাৰ
কি ধাৰণা, যাৰ তৃতীয়জন হৈছে আল্লাহ।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

আমীৰুল মুমিনীন আবু বকৰ ৰাদ্বিয়াল্লাহু আনহুৱে হিজৰতৰ সময়ৰ কথা বৰ্ণনা কৰি কৈছেঃ আমি ছাওৰ পৰ্বতৰ গুহাত আত্মগোপন কৰি আছিলোঁ, সেই সময়ত মুশ্বৰিকসকল গুহাৰ ওচৰত আমাৰ মূৰৰ ওপৰত থিয় হৈ আছিল, মই ওপৰৰ ফালে লক্ষ্য কৰিলোঁ, দেখিলোঁ সিহঁত গুহাৰ নিচেই ওচৰত থিয় হৈ আছে। তেতিয়া মই ক'লোঁ, হে আল্লাহৰ ৰাছুল! সিহঁতৰ মাজৰ কোনোবাই যদি নিজৰ ভৰিৰ ফালে লক্ষ্য কৰে তেতিয়া দেখোন আমাক দেখা পাব। তেতিয়া তেখেতে ক'লেঃ হে আবু বকৰ! সেই দুজন ব্যক্তি সম্পৰ্কে আপোনাৰ কি ধাৰণা, যিসকলক সহায়-সহযোগিতা কৰিবলৈ তথা হিফাজত কৰিবলৈ তৃতীয়জন হৈছে আল্লাহ?

http://sunnah.global/hadeeth/as/show/3447